**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 13**-08-2024
**Time :** 1715Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি পুৱা নতুন দিল্লীত ভাৰত মণ্ডপমৰ পৰা পতাকা জোকাৰি হৰ ঘৰ তিৰংগা মটৰ চাইকেল সমদলৰ শুভাৰম্ভ কৰে। কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, ৰাম মোহন নাইডু কিঞ্জাৰাপু, কিৰেণ ৰিজিজু আৰু মনসুখ মন্দাভিয়া এই অনুষ্ঠানত উপস্থিত থাকে। মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামত এই মটৰ চাইকেল সমদলৰ সামৰণি পৰে।

এই উপলক্ষে উপ-ৰাষ্ট্ৰপতি ধনখড়ে কয় যে স্বাধীনতা দিৱসত ঘৰে ঘৰে ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ জনসাধাৰণক উৎসাহিত কৰাৰ উদ্দেশ্যে হৰ ঘৰ তিৰংগা অভিযান আৰম্ভ কৰা হৈছে। তেওঁ কয় যে এই অভিযান ইতিমধ্যে আন্দোলনত পৰিণত হৈছে আৰু কোটি কোটি লোকে নিজৰ বাসগৃহত পতাকা উত্তোলন কৰিছে। হৰ ঘৰ তিৰংগা অভিযানে দেশৰ স্বাধীনতা, গৌৰৱ আৰু বিকশিত ভাৰতৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে বুলি উপ-ৰাষ্ট্ৰপতিয়ে মন্তব্য কৰে।

অসমতো জিলাই জিলাই হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত কাৰ্যসূচী অব্যাহত আছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত তিৰংগা যাত্ৰাত অংশ লয়। এই যাত্ৰাত অংশ লোৱাৰ পূৰ্বে শ্বহীদ কুশল কোঁৱৰৰ প্ৰতিমূৰ্তিৰ সন্মুখত শ্ৰদ্ধা নিবেদন কৰে। গোৱালপাৰা জিলা প্ৰশাসনে আজি জিলা আয়ুক্ত কাৰ্যালয় চৌহদৰ পৰা ত্ৰিৰংগ পতাকাসহ এটা শোভাযাত্ৰা উলিয়ায়। আযুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী, চি আৰ পি এফ জোৱান, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজে এই শোভাযাত্ৰাত অংশ লয়। ইফালে গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত আজি বিয়লি দেশভক্তিমূলক গীত আৰু নৃত্যৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। ধুবুৰী জিলাতো এই কাৰ্যসূচী অব্যাহত আছে। আনহাতে ধুবুৰী আৰক্ষীৰ লোকসকল স্বাধীনতা দিৱসৰ বাবে কুচকাৱাজৰ অনুশীলনত ব্যস্ত হৈ আছে। জিলাখনৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত অনুষ্ঠিত অনুশীলনত আৰক্ষীৰ লগতে এন চি চি আৰু স্কাউট এণ্ড গাইডৰ সদস্যসকলে অংশ লৈছে।

কামৰূপ মহানগৰ জিলা প্ৰশাসনে আজি হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ অংশ হিচাপে এটা মটৰ চাইকেল সমদল উলিয়ায়। অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ তিৰংগা ৰান শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হয়।

তামুলপুৰ জিলাত আজি জিলাখনৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই তিৰংগা যাত্ৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে কাৰ্যসূচীৰ শুভাৰম্ভ কৰি সকলোকে নিজ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনায়।

ইপিনে দৰং জিলাত আজি এই কাৰ্যসূচীৰ অংশ হিচাপে মটৰ চাইকেল সমদল আৰু পদ যাত্ৰা কাৰ্যসূচী সম্পন্ন হয়।

oooooooo

ৰাজ্য চৰকাৰে আজি কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত লোকনিৰ্মাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগত এহেজাৰ ১২৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰে। ইয়াৰ লগে লগে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি প্ৰদান

কৰা এক লাখ নিযুক্তিৰ ভিতৰত ৯৯ হাজাৰ ৯৭টা নিযুক্তি সম্পূৰ্ণ হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে কেইগৰাকীমান প্ৰাৰ্থীক নিযুক্ত পত্ৰ বিতৰণ কৰে। শীঘ্ৰেই এক লাখ নিযুক্তি সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। অনুষ্ঠানত লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই চৰকাৰী চাকৰিয়ালৰ দৰমহাৰ ক্ষেত্ৰত নতুন ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, চাকৰি কৰি থকাৰ সময়ত লোকজনৰ মৃত্যু হ'লে তেওঁৰ পত্নীক দৰমহাৰ ৮০ শতাংশ আৰু পিতৃ-মাতৃয়ে ২০ শতাংশ লাভ কৰিব।

০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত হোৱা কৃত্ৰিম বানৰ বাবে পুনৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, যোৱাবাটত অবিজ্ঞান সন্মতভাৱে পাহাৰ খননৰ ফলত গুৱাহাটীত কৃত্ৰিম বানৰ সমস্যা উদ্ভৱ হৈছে। এইক্ষেত্ৰত গুৱাহাটীৰ বান সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰখা বুলি তেওঁ মন্তব্য কৰে। এটা বিশেষজ্ঞ দলৰ জৰিয়তে ৰাজ্য চৰকাৰে বান নিয়ন্ত্ৰণ কৰাৰ দিশে অগ্ৰসৰ হোৱা বুলি উল্লেখ কৰাৰ লগতে তেওঁ গুৱাহাটীবাসীক এইক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০০০০

কেন্দ্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰী ভূপেন্দৰ যাদৱে কালি অসমৰ এগৰাকী প্ৰাক্তন বনকৰ্মী প্ৰয়াত বুবুল গগৈক মৰণোত্তৰভাৱে **গজ গৌৰৱ** বঁটা প্ৰদান কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ পৰা এই বঁটা লাভ কৰাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে, এয়া প্ৰকৃতাৰ্থত ৰাজ্যৰ বন বিভাগত নিষ্ঠাৰে সেৱা আগবঢ়াই যোৱাৰ উল্লেখনীয় অৱদানৰ স্বীকৃতি। হাতী সংৰক্ষণৰ ক্ষেত্ৰত প্ৰয়াত বুবুল গগৈয়ে অসামান্য অৱদান আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কেইবাখন বিদ্যালয়ৰ ছাত্ৰীৰ মাজত নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সমষ্টিটোৰ অন্তৰ্গত কুঠৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২৬ গৰাকী ছাত্ৰী, জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৬০ গৰাকী, কলিয়াবৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৮০ গৰাকী, কুঁৱৰীটোল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫১ গৰাকী আৰু বৰভগীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২৪ গৰাকী ছাত্ৰীৰ মাজত এই আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কৰা হয়। এই আঁচনিৰ অধীনত একাদশ শ্ৰেণীৰ ছাত্ৰীলৈ প্ৰতিমাহে এহেজাৰ টকাকৈ, স্নাতক পৰ্যায়ৰ ছাত্ৰীলৈ এহেজাৰ ২৫০ টকা, স্নাতকোত্তৰ আৰু বিএড পাঠ্যক্ৰমৰ ছাত্ৰীলৈ প্ৰতিমাহে ২ হাজাৰ ৫০০ টকাকৈ আগবঢ়োৱা হ'ব।

০০০০০০০০

ঃসমাপ্তঃ